জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পর্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বার্তা

নং ঃ ২৪৭/২০১৯

শ্রীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ দ্বিতীয় সমাৱর্তনত অংশ গ্রহণ কৰিলে মুখ্যমন্ত্রীয়ে

চিকিৎসা সেৱা এক মহান বৃত্তি ঃ মুখ্যমন্ত্রী

দিছপুৰ, ১৯ জুন ঃ 'চিকিৎসা সেৱা এক মহান বৃত্তি। আর্তজনক সেৱা আগবঢ়োৱা বাবেই মানৱ সমাজে চিকিৎসক সকলক বিশেষভাৱে স্বীকৃতি প্রদান কৰি আহিছে। সেইবাবে চিকিৎসক সকলে অতি নিষ্ঠা আৰু আন্তৰিকতাৰে জনগণক সেৱা আগবঢ়াই আস্থা বুটলিবলৈ দৃঢ়তাৰে প্রয়াস চলাব লাগিব।' আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ প্রেক্ষাগৃহত শ্রীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ দ্বিতীয় সমাৱর্তনত মুখ্য অতিথি হিচাপে অংশ গ্রহণ কৰি মুখ্যমন্ত্রী সর্বানন্দ সোণোৱাল এইদৰে কয়।

মুখ্যমন্ত্রী সোণোৱালে কয় যে স্বাস্থ্য খণ্ডক আৰু অধিক শক্তিশালী কৰাৰ প্রয়োজনীয়তা আহি পৰিছে। সেইবাবে ৰাজ্য চৰকাৰে স্বাস্থ্য খণ্ডত অগ্রাধিকাৰ প্রদান কৰি স্বাস্থ্য সেৱাৰ মান উন্নত কৰাৰ বাবে বিভিন্ন পদক্ষেপ গ্রহণ কৰিছে। সুৰক্ষিত স্বাস্থ্য, প্রতিগৰাকী ব্যক্তিক সু-স্বাস্থ্যৰ অধিকাৰী কৰি তুলিবলৈ হ'লে স্বাস্থ্য খণ্ডৰ উত্তৰণৰ বাবে মিলিত প্রয়াসৰে আগবাঢ়িব লাগিব। মুখ্যমন্ত্রীয়ে লগতে কয় যে ৰাজ্যখনত পর্যাপ্ত চিকিৎসক উপলব্ধ কৰাৰ বাবে ৰাজ্য চৰকাৰে নতুন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰিছে। আনহাতে, আধুনিক ধ্যান-ধাৰণাৰ জৰিয়তে চিকিৎসা খণ্ডৰ আঁচনি সমূহৰ সফল ৰূপদানৰ বাবেও ৰাজ্য চৰকাৰে ইতিমধ্যে বিভিন্ন পদক্ষেপ গ্রহণ কৰিছে। দেশৰ প্রতিগৰাকী ব্যক্তিকে সু-স্বাস্থ্যৰ অধিকাৰী কৰি তোলাৰ বাবে প্রধানমন্ত্রী নৰেন্দ্র মোডীয়ে আৰম্ভণিৰেই পৰা বিভিন্ন কার্যসূচী গ্রহণ কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্রীয়ে কয় যে স্বাস্থ্য আৰু সমাজ সেৱাৰ দিশত প্রধানমন্ত্রীয়ে দৃষ্টান্তমূলক পদক্ষেপ গ্রহণ কৰাৰ ফলত আজি দেশৰ জনগণ অনুপ্রাণিত হৈছে।

ভাৰত গাঁৱতহে বাস কৰে বুলি মহাত্মা গান্ধীয়ে কোৱা কথাৰ উদ্ধৃতি দাঙি ধৰি মুখ্যমন্ত্রীয়ে কয় যে আমাৰ নৱ প্রজন্মৰ চিকিৎসক সকলে গ্রামাঞ্চলৰ স্বাস্থ্য সেৱাৰ উন্নতিকল্পে নিজকে আত্মনিয়োগ কৰিব লাগিব। কেন্দ্র আৰু ৰাজ্য চৰকাৰে যাতায়াতকে ধৰি বিভিন্ন ক্ষেত্রত গ্রহণ কৰা ব্যৱস্থাৰ ফলত আজি গ্রামাঞ্চলৰ আন্তঃগাঁথনিৰ পৰিৱর্তন সম্ভৱ হৈ পৰিছে। সেইবাবে চিকিৎসক সকলে গ্রামাঞ্চলৰ জনসাধাৰণক সেৱা কৰাৰ মানসিকতাৰে কাম কৰিব লাগিব বুলিও মুখ্যমন্ত্রীয়ে কয়। মুখ্যমন্ত্রীয়ে কয় যে প্রধানমন্ত্রীৰ স্বচ্ছ ভাৰত কার্যসূচীৰ ফলত স্বাস্থ্য খণ্ডকে ধৰি বিভিন্ন ক্ষেত্রত সামাজিক পৰিৱর্তন সম্ভৱ হৈ উঠিছে। পৰিস্কাৰ পৰিচ্ছন্নতাই ৰোগমুক্ত জীৱন যাপনৰ দিশত অনুকূল বাতাবৰণৰ সৃষ্টি কৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্রীয়ে কয় যে এই দিশত চিকিৎসা বৃত্তিৰ সৈতে জড়িত থকা সকলোৱে জনসাধাৰণক অধিক সজাগ কৰিব লাগিব।

মুখ্যমন্ত্রীয়ে কয় যে ডিগ্রী লাভ কৰা চিকিৎসক সকলে নিজকে বিকশাই তোলাৰ উপৰি মানৱ সমাজক সেৱা কৰাৰ বাবে সততা আৰু নিষ্ঠাৰে কাম কৰিব লাগিব। প্রধানমন্ত্রী নৰেন্দ্র মোডীৰ 'এক্ট ইষ্ট পলিচি'ৰ ফলত আছিয়ান আৰু বিবিএন দেশ সমূহৰ সৈতে অসম তথা উত্তৰ-পূর্বাঞ্চলৰ বিভিন্ন ক্ষেত্রত সহযোগিতাৰ পথ প্রশস্ত হৈ পৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্রীয়ে কয় যে অসমক দক্ষিণ-পূব এছিয়াৰ চিকিৎসা হাব হিচাপে পৰিগণিত কৰাৰ বাবে চিকিৎসক তথা বিশেষজ্ঞ সকলে লক্ষ্য স্থিৰ কৰিব লাগিব। এই ক্ষেত্রত সকলোৱে ঐক্যৱদ্ধ প্রচেষ্টাৰে কাম কৰিব লাগিব বুলিও মুখ্যমন্ত্রীয়ে কয়।

জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

সমাৱৰ্তনত ভাষণ প্ৰদান কৰি স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ উন্নয়নৰ বাবে নিৰৱচ্ছিন্নভাৱে প্ৰয়াস চলাই থকা হৈছে। মন্ত্ৰী গৰাকীয়ে কয় যে পূৰ্বতে চিকিৎসা মহাবিদ্যালয় সমূহত ৩৯১ খন আসন আছিল যদিও বৰ্তমান এই আসনৰ সংখ্যা ৭২৬ খনলৈ বৃদ্ধি পাইছে আৰু অতি শীঘ্ৰে এই আসনৰ সংখ্যা ১০০০ খনলৈ বৃদ্ধি পাব। ৰাজ্য চৰকাৰে স্বাস্থ্য খণ্ডৰ সৰ্বাংগীন বিকাশৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ কথা উল্লেখ কৰি মন্ত্ৰী গৰাকীয়ে কয় যে বায়'মেডিকেল ইঞ্জিনিয়াৰিং পাঠ্যক্ৰম মুকলি কৰাৰ বাবেও ৰাজ্য চৰকাৰে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে। মন্ত্ৰী গৰাকীয়ে কয় যে জাইকাৰ পৰা ৩ হাজাৰ কোটি টকাৰ ঋণ লোৱাৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে আৰু ইয়ে অদূৰ ভৱিষ্যতে স্বাস্থ্য শিক্ষাৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন সম্ভৱ কৰি তুলিব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি এইমছ্ৰ সঞ্চালক ৰণদ্বীপ গুলেৰিয়াই কয় যে ৰাষ্ট্ৰ নিৰ্মাণত চিকিৎসক সকলে সক্ৰিয় বৰঙণি যোগাব লাগিব। মানৱীয় দৃষ্টি ভংগীৰে নিজৰ বৃত্তিত নিয়োজিত হ'ব লাগিব বুলিও তেওঁ কয়। সঞ্চালক গৰাকীয়ে লগতে কয় যে চিকিৎসক আৰু ৰোগীৰ মাজত সু-সম্পৰ্ক গঢ়ি তোলাৰ উপৰি গুণগত স্বাস্থ্য সেৱা, বৰ্তমান সময়ত স্বাস্থ্যত আহি পৰা প্ৰত্যাহ্বান সমূহ মোকাৰিলা কৰাৰ বাবেও নতুন ধাৰণাৰে আগবাঢ়িব লাগিব।

আজিৰ এই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ পৰা বিভিন্ন বিষয়ত ডিগ্ৰী লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক প্ৰমানপত্ৰ প্ৰদান কৰে। আনহাতে, মুখ্যমন্ত্ৰীয়ে চিকিৎসা খণ্ডলৈ বিশেষ বৰঙণি আগবঢ়োৱা ১০ গৰাকী চিকিৎসকলৈ জীৱনযোৱা সাধনা বঁটাও আগবঢ়ায়।

আজিৰ সমাৱৰ্তনৰ আদৰণি ভাষণ প্ৰদান কৰে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য দীপিকা ডেকাই। অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক অংকুমণি শইকীয়া প্ৰমুখ্যে চিকিৎসা খণ্ডৰ লগত জড়িত থকা ব্যক্তিসকল উপস্থিত আছিল।

পুঃডেঃ / বঃভাঃ
১৯/৬/২০১৯